**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১।  সমগ্ৰ দেশতে ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন।  দেশৰ প্ৰগতি আৰু সামৰিক শক্তিৰ প্ৰদৰ্শনেৰে নতুন দিল্লীৰ কৰ্তব্যপথৰ পৰা গণৰাজ্য দিৱসৰ মূল কাৰ্যসূচী।

২।  গোলকীয় অনিশ্চয়তা সত্বেও দেশৰ প্ৰগতি অব্যাহত আছে বুলি ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ উপলব্ধি।

৩।  অসমতো বিস্তৃত কাৰ্যসূচীৰে গণৰাজ্য দিৱস উদযাপন।

৪।  অসমৰ পাঁচগৰাকী বিশিষ্ট ব্যক্তিলৈ পদ্মশ্ৰী। হিন্দী চলচ্চিত্ৰ জগতৰ বিশিষ্ট অভিনেতা ধৰ্মেন্দ্ৰলৈ মৰণোত্তৰভাৱে পদ্ম বিভূষণ। **আৰু**

৫।  নিউজিলেণ্ডৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ শৃংখলাত ভাৰতৰ নিৰ্ণায়ক অগ্ৰগতি। গুৱাহাটীৰ বৰ্ষাপাৰাৰ তৃতীয়খন টি-২০ খেলত ভাৰতৰ ৮ উইকেটত সহজ জয়লাভ। ০০০০০০

সমগ্ৰ দেশে আজি ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে নতুন দিল্লীৰ কৰ্তব্যপথৰ পৰা গণৰাজ্য দিৱস উদযাপনত ৰাষ্ট্ৰক নেতৃত্ব দিব। গণৰাজ্য দিৱসৰ কুচকাৱাজ চাৰে ১০ বজাত আৰম্ভ হ'ব। ৯০ মিনিট ধৰি চলিবলগীয়া এই গণৰাজ্য দিৱসৰ কুচকাৱাজত দেশৰ বৰ্ণাঢ্য সংস্কৃতি আৰু সামৰিক শক্তিৰ অনবদ্য প্ৰদৰ্শন দেখিবলৈ পোৱা যাব। এইবাৰৰ কুচকাৱাজত ব্ৰহ্মচ ছুপাৰ ছনিক ক্ষেপনাস্ত্ৰ প্ৰণালী, টি-নাইনটি ভীষ্ম টেংক, অৰ্জুন মূল যুদ্ধ টেংক, আপাচে ছিক্সটি এইট হেলিকাপ্টাৰ প্ৰদৰ্শনৰ লগতে ৰব'টিক দ'গ, মানৱবিহীন সেনা বাহন-নিগ্ৰহ আদি ভাৰতীয় প্ৰতিৰক্ষা বাহিনীৰ পৰাক্ৰম প্ৰদৰ্শন কৰা হ'ব।

এই বছৰৰ গণৰাজ্য দিৱসৰ বিষয়বস্তু হৈছে- **স্বতন্ত্ৰতাৰ মন্ত্ৰ ঃ বন্দে মাতৰম আৰু সমৃদ্ধিৰ মন্ত্ৰ ঃ আত্মনিৰ্ভৰ ভাৰত**। কুচকাৱাজৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত ছহীদসকললৈ শ্ৰদ্ধা নিবেদন কৰিব। ইয়াৰ পাছত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে কৰ্তব্য পথত সশস্ত্ৰ বাহিনী, অৰ্ধসামৰিক বাহিনী, আন বাহিনীসমূহ, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কেডেটসকলৰ কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰিব। এইবাৰৰ গণৰাজ্য দিৱসৰ কাৰ্য্যসূচীত ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ভনডেৰ লেয়েন আৰু ইউৰোপীয়ান কাউন্সিলৰ সভাপতি এণ্টনিঅ' লুই ছান্তোচ দ্যা কোস্তা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কুচকাৱাজত বিভিন্ন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল, বিভিন্ন মন্ত্ৰালয় তথা বিভাগৰ ৩০ টা প্ৰতীকপট প্ৰদৰ্শন কৰা হ'ব। এই প্ৰতীকপটসমূহত ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ বছৰ পূৰ্তি আৰু বিভিন্ন খণ্ডত আত্মনিৰ্ভৰশীলতাৰে

দেশৰ দ্ৰুত প্ৰগতিৰ দিশসমূহ প্ৰতিফলিত হ'ব। এইবাৰৰ কুচকাৱাজত ধুবুৰীৰ আশাৰিকান্দিৰ বিখ্যাত পোৰামাটিৰ শিল্প প্ৰতীকপট হিচাপে প্ৰদৰ্শন কৰা হ'ব। ভৌগোলিক সূচ্যাংকৰ স্বীকৃতি লাভ কৰা এই শিল্প এইবাৰৰ কুচকাৱাজত দেশবাসীৰ সন্মুখত উজ্বলি উঠিব। আকাশবাণীয়ে আজি পুৱা ৯ বাজি ৪০ মিনিটৰ পৰা নতুন দিল্লীৰ কৰ্তব্য পথৰ পৰা গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ পোনপটীয়াকৈ প্ৰচাৰ কৰিব। এই অনুষ্ঠান আকাশবাণীৰ সকলোবোৰ কেন্দ্ৰৰ সকলো চেনেলে ৰিলে কৰিব।

ৰাজ্যৰ বিভিন্ন জিলাতো বিস্তৃত কাৰ্যসূচীৰে গণৰাজ্য দিৱস উদযাপন কৰা হৈছে। গুৱাহাটীৰ খানাপাৰত থকা অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এই মুহূৰ্তত পতাকা উৰুৱাইছে। এইবেলি মিজোৰাম আৰক্ষীৰ এটা দলৰ লগতে ৰাজ্যৰ ২৪টা দলে গুৱাহাটীৰ কুচকাৱাজত অংশগ্ৰহণ কৰিছে। ডিব্ৰুগড় জিলাৰ খনিকৰ খেলপথাৰত আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পতাকা উৰুৱাইছে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চানমাৰি চৌহদত আজি পুৱা ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে উপ-সঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়োৱে।

ooooo

দেশৰ অৰ্থনৈতিক ভৱিষ্যৎ নিৰ্ণয় কৰাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা আৰু স্বদেশী সামগ্ৰী পথ প্ৰদৰ্শক নীতি বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকসন্ধিয়া কালি দেশবাসীক উদ্দেশ্যি দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে ভাৰতক বিশ্বৰ সৰ্বাধিক যুৱ জনসংখ্যা থকা দেশ হিচাপে উল্লেখ কৰি কয়, যে দেশৰ যুৱ প্ৰজন্মৰ ভালেমান প্ৰতিভা আছে। তেওঁ আত্মসংস্থাপনেৰে দেশৰ যুৱ প্ৰজন্মই উল্লেখনীয় সফলতা অৰ্জন কৰিছে বুলি উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে গোলকীয় অনিশ্চয়তাৰ সত্বেও ভাৰতৰ অৰ্থনৈতিক বিকাশ অব্যাহত আছে। তেওঁ ভাৰতক বিশ্বৰ দ্ৰুত বিকশিত অৰ্থনীতি বুলি অভিহিত কৰি কয়, যে অনাগত ভৱিষ্যতত ভাৰত বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে লক্ষ্য প্ৰাপ্তিৰ দিশত আগবাঢ়িছে।

*(বাইট ঃ ৰাষ্ট্ৰপতি)*

সামগ্ৰী আৰু সেৱা কৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত চৰকাৰৰ সিদ্ধান্তৰ সন্দৰ্ভত আলোকপাত কৰি শ্ৰীমতী মুৰ্মুৱে এই পদক্ষেপে ভাৰতৰ অৰ্থনীতি সুদৃঢ় কৰিব বুলি মন্তব্য কৰে। তেওঁ লগতে চৰকাৰে অলপতে কৰা শ্ৰম সংহিতাৰ সংস্কাৰৰ জৰিয়তে শ্ৰমিকসকল উপকৃত হ'ব বুলি উল্লেখ কৰে। ৰাষ্ট্ৰ প্ৰথম অৱধাৰণা আৰু মেক ইন ইণ্ডিয়াক অধিক গৌৰৱান্বিত কৰাৰ বাবে সকলোকে একেলগে কাম কৰাৰ প্ৰতি আহ্বান জনাই ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে গণৰাজ্য দিৱসে দেশপ্ৰেমৰ ভাৱনাক অধিক সুদৃঢ় কৰাৰ সুযোগ প্ৰদান কৰে।

ooooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই দেশৰ কষ্টোপাৰ্জিত স্বাধীনতা বজাই ৰাখিবলৈ ৰাজ্যবাসীৰ প্ৰতি আহ্বান জনাইছে। খন্তেক সময় আগতে আকাশবাণী যোগে দিয়া এটা বাণীত ৰাজ্যপালে অসমৰ ঐতিহাসিক মঠ-মন্দিৰ, পৰ্যটন স্থল, স্মাৰক আদিৰ সংৰক্ষণ আৰু সম্বৰ্ধনৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ কথা উল্লেখ কৰে আৰু বিশেষকৈ যুৱ সম্প্ৰদায়ক এই ঐতিহাসিক সম্পদসমূহ সংৰক্ষণ কৰি নতুন অসম গঢ়াৰ দিশত আগবাঢ়িবলৈ

আহ্বান জনায়। বন্দে মাতৰম ৰচনাৰ ১৫০ বছৰ পূৰ্তি প্ৰসংগত ৰাজ্যপালে এই গীতটোক কেৱল এটা গীত নহয়, ই স্বাধীনতা সংগ্ৰামত কোটি কোটি ভাৰতীয় হৃদয়ত দেশভক্তিৰ অগ্নি প্ৰজ্বলিত কৰা এটা মন্ত্ৰ বুলি উল্লেখ কৰে।

*(বাইট ঃ ৰাজ্যপাল)*

০০০০০০০

অসমৰ ৫ গৰাকী বিশিষ্ট ব্যক্তিকে ধৰি দেশৰ মুঠ ১৩১ গৰাকী ব্যক্তিলৈ চলিত বছৰৰ পদ্ম সন্মান কালি ঘোষণা কৰা হৈছে। দেশৰ ৫ গৰাকী কৃতিমান ব্যক্তিলৈ পদ্ম বিভূষণ, ১৩ গৰাকীলৈ পদ্ম ভূষণ আৰু ১১৩ গৰাকীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। সদ্য প্ৰয়াত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থলৈ মৰণোত্তৰভাৱে পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। কলা শিতানত বিশিষ্ট সত্ৰীয়া শিল্পী হৰিচৰণ শইকীয়া, যশস্বী কলা নিৰ্দেশক নুৰুদ্দিন আহমেদ আৰু কাৰ্বি লোক-সংগীতৰ বিশিষ্ট শিল্পী পখিলা লেকথেপীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। ইয়াৰ লগতে কৃষি ক্ষেত্ৰত এৰী আৰু ৰেচম বিশেষজ্ঞ যোগেশ দেউৰীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে।

লখিমপুৰ জিলাৰ বিহপুৰীয়াৰ সত্ৰীয়া সংস্কৃতিৰ সাধক ৯৬ বছৰীয়া হৰিচৰণ শইকীয়াই পদ্মশ্ৰী সন্মান লাভ কৰাত তেওঁৰ লগতে অঞ্চলবাসী উৎফুল্লিত হৈছে। তেওঁ ২০১১ বৰ্ষত সংগীত নাটক একাডেমি সন্মান লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। উল্লেখ্য যে ১৯৪৮ চনতে তেখেতে আকাশবাণীত বৰগীত পৰিৱেশন কৰিছিল। পদ্মশ্ৰী সন্মান লাভ কৰাৰ পাছতে সাংবাদিকৰ আগত তেওঁ এনেদৰে কয় –

-বাইট- (হৰিচৰণ)

চাৰি দশকৰো অধিক কাল কাৰ্বি লোক-সংগীতৰ চৰ্চা কৰি অহা লোক-শিল্পী পখিলা লেকথেপীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। তিনি শতাধিক গীতত কণ্ঠদান কৰা শিল্পীগৰাকীয়ে কাৰ্বি সংগীতৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে ৰাজ্য চৰকাৰৰ শিল্পী বঁটা আৰু শিল্পী পেঞ্চন লাভ কৰিছে।

ৰাজ্যৰ যশস্বী কলা নিৰ্দেশক নুৰুদ্দিন আহমেদলৈও চলিত বছৰৰ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। ২০১৭ চনত সংগীত নাটক একাডেমী বঁটা লাভ শিল্পীগৰাকী শেহতীয়াকৈ বটদ্ৰৱা প্ৰকল্পৰ সৌন্দৰ্য্য বৰ্ধন আৰু মূৰ্তি নিৰ্মাণ কাৰ্য্যতো তেওঁ জড়িত আছিল।

পদ্মশ্ৰী সন্মান লাভ কৰা আন এগৰাকী বিশিষ্ট ব্যক্তি ৰাজ্যৰ এৰী আৰু ৰেচম বিশেষজ্ঞ যোগেশ দেউৰীক ২০২৩ চনত অসম গৌৰৱ বঁটাৰে সন্মানিত কৰা হৈছিল।

উল্লেখ যোগ্য যে এইবাৰৰ অসামৰিক বঁটা লাভ কৰা সকলৰ ভিতৰত ১৯ গৰাকী মহিলা আছে আৰু ১৬ গৰাকী ব্যক্তিক মৰণোত্তৰভাৱে এই সন্মান প্ৰদান কৰা হৈছে। কলাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা বলিউদৰ প্ৰয়াত অভিনেতা ধৰ্মেন্দ্ৰ সিং দেউলক মৰণোত্তৰভাৱে পদ্ম বিভূষণ আগবঢ়োৱা হৈছে। ৰাজহুৱা পৰিক্ৰমাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে কেৰালাৰ কে টি থমাছ, কলাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে উত্তৰ প্ৰদেশৰ এন ৰাজম, সাহিত্যৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা কেৰালাৰ পি নাৰায়ণন লৈ পদ্ম বিভূষণ বঁটা আগবঢ়োৱা হৈছে। ৰাজহুৱা পৰিক্ৰমাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱাৰ বাবে কেৰালাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভি এছ অচ্যুতানন্দনলৈ মৰণোত্তৰভাৱে দেশৰ দ্বিতীয় সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বিভূষণ আগবঢ়োৱা হৈছে।

০০০০০০০

ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি গুৱাহাটীত ৮২ কোটি ৫ লাখ টকা ব্যয়সাপেক্ষে উত্তৰ পূৰ্বাঞ্চলৰ দুটা বাঁহ প্ৰকল্প মুকলি কৰে। এই প্ৰকল্প দুটা মুকলি কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোৱা ১২ বছৰত উত্তৰ পূৰ্বাঞ্চলত উন্নয়নৰ জোৱাৰ উঠিছে। অসমৰ কাৰ্বি আংলং জিলা আৰু নাগালেণ্ডৰ মুককচাঙত নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্প দুটাত ৪৪০০ যুৱক-যুৱতীক প্ৰশিক্ষণ দি বাঁহেৰে নিৰ্মিত সামগ্ৰীৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব দিয়া হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কালিৰ অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ উপস্থিতিত উত্তৰ-পূব বেত আৰু বাঁহ উন্নয়ন পৰিষদে বজাৰৰ সুলভতা তথা বাণিজ্য সহযোগিতাৰ বাবে এমাজন, ফ্লিপকাৰ্ড আৰু অল টাইম প্লাষ্টিকছ্‌ৰ সৈতে তিনিখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাত ভাৰতে নিৰ্ণায়ক অগ্ৰগতি লাভ কৰিছে। যোৱা নিশা গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত অনুষ্ঠিত তৃতীয়খন টি-২০ খেলত ভাৰতে ৮ উইকেটত সহজ জয়লাভ কৰে। ভাৰতে ১৫৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি দুটা উইকেটৰ বিনিময়ত মাত্ৰ ১০ অভাৰতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। বৰ্ষাপাৰাৰ প্ৰায় ৫০ হাজাৰ দৰ্শকৰ সন্মুখত অভিষেক শৰ্মাই ২০টা বলত ৬৮ আৰু অধিনায়ক সুৰ্যকুমাৰ যাদৱে ২৬ টা বলত ৫৭ ৰান কৰি ক্ৰিকেট প্ৰেমী দৰ্শকক আক্ৰমণাত্মক খেলৰ সোৱাদ দিয়ে। অভিষেক শৰ্মাই টি-২০ ক্ৰিকেটত অৰ্ধশতক কৰা দ্বিতীয় দ্ৰুততম খেলুৱৈ হিচাপে অভিলেষ গঢ়ে। ইয়াৰ পূৰ্বে নিউজিলেণ্ড প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৫৩ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ গ্লেন ফিলিপছে সৰ্বাধিক ৪৮ ৰান কৰে। যশপ্ৰীত বুমৰাই তিনিটা আৰু হাৰ্দিক পাণ্ডিয়া আৰু ৰবি বিষ্ণয়ে দুটাকৈ উইকেট দখল কৰে। যশপ্ৰীত বুমৰাক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়। পাঁচখনীয়া শৃংখলাটোত ভাৰতে সম্প্ৰতি ৩-০ৰ অগ্ৰগতি লাভ কৰিছে। প্ৰতিযোগিতাৰ চতুৰ্থখন খেল অহা বুধবাৰে বিশাখাপট্টনমত অনুষ্ঠিত হ'ব।

ooooo

সমগ্ৰ দেশতে আজি সপ্তসপ্ততিতম গণৰাজ্য দিৱস উদযাপন, অসমৰ পাঁচগৰাকী ব্যক্তিলৈ পদ্ম সন্মান, বিশিষ্ট সাংবাদিক মাৰ্ক ট'লীৰ দেহাৱসান আদি বাতৰিয়ে গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ শিৰোনাম দখল কৰিছে।

সত্ৰীয়া শিল্পী হৰিচৰণ শইকীয়া, ভাস্কৰ্য্য শিল্পী নুৰুদ্দিন আহমেদ, ৰেছম বিশেষজ্ঞ যোগেশ দেউৰী, কাৰ্বি লোক সংগীতৰ শিল্পী পখিলা লেকথেপীলৈ আৰু মৰোনত্তৰভাৱে বিজেপি নেতা কবিন্দ্ৰ পুৰকায়স্থলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা বাতৰিটো আজি আটাইকেইখন কাকতে আলোকচিত্ৰ সহ প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে কালি ডুমডুমাত মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত আঁচনি মুকলি কৰাৰ বাতৰি আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় ড'নাৰ আৰু যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি এচিভাৰ্ছ এৱাৰ্ড অনুষ্ঠানত ৰাজ্যৰ অগ্ৰণী সংবাদ গোষ্ঠী সাদিন-প্ৰতিদিনে উত্তৰ পূৰ্বাঞ্চলত পোহৰ বিলোৱা বুলি কৰা মন্তব্যৰে অসমীয়া প্ৰতিদিন কাকতে বাতৰি প্ৰকাশ কৰিছে।

বিগত চাৰি মাহত ৪২ টা সৰু-বৰ ভূঁইকপে ৰাজ্যত জোকাৰণি তোলাটো এটা চিন্তনীয় বিষয়। নেচনেল চেণ্টাৰ ফৰ ছিছম'লজিৰ এই প্ৰতিবেদনৰ তথ্যৰে দ্যা চেণ্টিনেল কাকতে বাতৰি প্ৰকাশ কৰিছে।

গণৰাজ্য দিৱস উপলক্ষে অসম আৰক্ষীৰ দুগৰাকী বিষয়ালৈ ৰাষ্ট্ৰপতিৰ পদক আৰু ১৮ গৰাকী বিষয়ালৈ প্ৰশংসনীয় সেৱাৰ পদক আগবঢ়োৱা বাতৰিটো দৈনিক অসম, অসমীয়া খবৰৰ লগতে লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ মন কি বাতত ভাৰতীয় সংস্কৃতি সমগ্ৰ বিশ্বতে পালন কৰা হৈছে বুলি প্ৰকাশ কৰি নগাঁৱৰ ছাফাই অভিযানৰ প্ৰশংসা কৰে এই বাতৰি দৈনিক জনমভূমি আৰু নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতত এছ আৰৰ বিসংগতিক লৈ বিৰোধীৰ আন্দোলনৰ ভাবুকিৰ সন্দৰ্ভত এটা বাতৰি প্ৰকাশ কৰিছে।

বিজনীৰ আমগুৰি থানাৰ অন্তৰ্গত আমটেকা গাঁৱত কালি বিদ্যুৎস্পৃষ্ট হৈ দৰাকে ধৰি তিনিগৰাকী লোকৰ শোকবহ মৃত্যু হয়। এই বাতৰি দৈনিক অগ্ৰদূত কাকতৰ।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশত ডাঠ কুঁৱলীৰ লগতে পাতলীয়া বৰষুণৰ লগতে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**